CS (MAIN) EXAM, 2010

Sl. No. 197

D–DTN–K–BTB

# ASSAMESE

## Paper—II

## ( Literature )

| Time Allowed : Three Hours | Maximum Marks : 300 |
|---|---|

**INSTRUCTIONS**

**Candidates should attempt Question Nos. 1 and 5 which are compulsory, and any THREE of the remaining questions, selecting at least ONE question from each Section.**

**The number of marks carried by each question is indicated at the end of the question.**

**Answers must be written in Assamese.**

## Section—A

**1.** তলৰ যি কোনো তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *200* (দুশ) শব্দৰ ভিতৰত লিখিবাঁ : 20×3=60

*(a)* ৰাসক্ৰীড়াক 'ইটো কামজয় কৃষ্ণৰ কথা' বুলি কিয় কোৱা হৈছে? ইয়াত কৃষ্ণ আৰু গোপীসকলে দৰাচলতে কাক কাক প্ৰতিনিধিত্ব কৰিছে? আলোচনা কৰাঁ।

*(b)* ভট্টদেৱৰ সম্পূৰ্ণ নামটো কি? তেওঁ 'ভাগৱত-কথা'ৰ দ্বিতীয় স্কন্ধত মুখ্যতঃ কি বিষয় সামৰিছে? এই স্কন্ধৰ মূল তত্ত্ব কি, উল্লেখ কৰাঁ।

*(c)* মাধৱদেৱে মুঠ কিমান 'বৰগীত' ৰচনা কৰিছিল? তেওঁৰ 'বৰগীত'সমূহ কোন বয়সৰ কৃষ্ণক লৈ ৰচনা কৰা? মাধৱদেৱৰ 'বৰগীত'ৰ বিশেষত্ব বিচাৰ কৰাঁ।

(*d*) 'গুৰুচৰিত-কথা'ৰ আধাৰত শঙ্কৰদেৱে কৰা 'চিহ্নযাত্ৰা'ৰ এটি বিৱৰণ দিয়াঁ।

**2.** 'ৰামায়ণ'ৰ অযোধ্যাকাণ্ডটি আটাইতকৈ গুৰুত্বপূৰ্ণ কাণ্ড বুলি কিয় গণ্য কৰা হয় ? বিষয়বস্তুৰ আধাৰত তথ্য আৰু যুক্তিৰে উত্তৰ দিয়াঁ। 60

**3.** 'ৰাজসূয়' কাব্যত বৰ্ণিত 'কৃষ্ণৰ নগৰ'ৰ স্থান আৰু দৈৰ্ঘ্য-প্ৰস্থৰ উল্লেখ কৰি নগৰখনৰ বিৱৰণ এটি দাঙি ধৰাঁ। 60

**4.** শঙ্কৰদেৱৰ 'পাৰিজাতহৰণ' নাটৰ ৰুক্মিণী, শচী আৰু সত্যভামা এই তিনিওটি নাৰী-চৰিত্ৰৰ সংলাপ আৰু আচৰণৰ মাজত ফুটি উঠা বিশেষত্ব সম্পৰ্কে আলোচনা কৰাঁ। 60

## Section—B

**5.** তলৰ যি কোনো তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *200* (দুশ) শব্দৰ ভিতৰত লিখিবাঁ : 20×3=60

(*a*) বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ'ৰ আধাৰত দীননাথ বেজবৰুৱাৰ দিনত থকা পৰিয়ালৰ দৈনিক জীৱন-যাত্ৰাৰ পৰিচয় দাঙি ধৰাঁ।

(*b*) চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী' *বা* 'নিয়ৰ' কবিতাটি সম্পৰ্কে এটি আলোচনা লিখাঁ।

(*c*) জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'কাৰেঙৰ লিগিৰী' নাটকৰ শেৱালি চৰিত্ৰটিৰ মূল্যায়ন কৰাঁ।

(*d*) " 'গাঁওবুঢ়া' নাটকত হাস্যৰস কৰুণৰসত পৰিণত হ'ল।" মন্তব্যটিৰ যথাৰ্থতা দেখুওৱাঁ।

6. বাণীকান্ত কাকতিয়ে 'নামঘোষা'ৰ যিকেইটি প্ৰধান বৈশিষ্ট্য দাঙি ধৰিছে, সেই বৈশিষ্ট্যকেইটিৰ আধাৰত এটি প্ৰবন্ধ যুগুত কৰা। 60

7. " 'মৃত্যুঞ্জয়'ৰ মাজত শেষ পৰ্যন্ত গান্ধীজীৰ অহিংসাৰ বাণীৰ গুৰুত্বই ব্যঞ্জিত হৈছে।" এই অভিমতটিৰ আধাৰত 'মৃত্যুঞ্জয়'ৰ এটি মূল্যায়ন আগবঢ়োৱা। 60

8. নৱকান্ত বৰুৱাৰ 'সম্রাট' কবিতাটিত আধুনিক মানুহৰ মনোদ্বন্দ্বৰ কেনেধৰণৰ প্ৰকাশ ঘটিছে, বিচাৰ কৰা। 60

★ ★ ★